**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-01-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সোমনাথ স্বাভিমান পৰ্বৰ আৰম্ভণি উপলক্ষে দেশবাসীক ওলগ জনাইছে।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে ভাৰত আৰু ফ্ৰান্সে গোলকীয় ৰাজনীতিত স্থিৰতা অনাৰ বাবে একেলগে কাম কৰা উচিত বুলি মন্তব্য কৰিছে।

৩। গুৱাহাটীত আজিৰে পৰা দুদিনীয়াকৈ ৰাষ্ট্ৰীয় বস্ত্ৰ সন্মিলন অনুষ্ঠিত হৈছে।

৪। বিধি বলবৎকাৰী সঞ্চালকালয়ে এটা অপৰাধী চক্ৰৰ বিৰুদ্ধে ভুৱা চৰকাৰী চাকৰি কেলেংকাৰী সন্দৰ্ভত সমগ্ৰ দেশতে অভিযান চলাইছে।

আৰু

৫। ভাৰতৰ পি ভি সিন্ধুৱে কোৱালালামপুৰত অনুষ্ঠিত মালেয়ছিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ চিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সোমনাথ স্বাভিমান পৰ্বৰ আৰম্ভণি উপলক্ষে দেশবাসীক ওলগ জনাইছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে স্বাভিমান পৰ্ব হৈছে – আদৰ্শ আৰু নীতিৰ সৈতে আপোচ নকৰা দেশৰ অগণন শিশুক স্মৰণৰ উপলক্ষ্য। শ্ৰী মোদীয়ে কয়, যে ১০২৬ চনৰ জানুৱাৰীত সোমনাথৰ ওপৰত প্ৰথমবাৰ আক্ৰমণ সংঘটিত হৈছিল। ইয়াৰ পাছৰ শতিকাসমূহতো মন্দিৰটোৰ ওপৰত বাৰে বাৰে আক্ৰমণ সংঘটিত হৈছে যদিও ভক্তসকলৰ শ্বাশ্বত আস্থা আৰু ভাৰতবৰ্ষৰ সভ্যতাগত সংকল্পই বাৰে বাৰে মন্দিৰটোৰ পুনৰ নিৰ্মাণ নিশ্চিত কৰিছিল বুলি শ্ৰী মোদীয়ে মন্তব্য কৰে। শ্ৰীমোদীয়ে লগতে শতিকা শতিকা ধৰি কোটি কোটি লোকৰ হৃদয়ত অনাদি-অনন্ত কালৰে পৰা সোমনাথ মন্দিৰৰ স্মৃতি সজীৱ কৰি ৰখা সভ্যতাজনিত মনোভাৱৰ কথা স্মৰণ কৰে। পূৰ্বৰ সোমনাথ দৰ্শনৰ আলোকচিত্ৰ শ্বেয়াৰ কৰি প্ৰধানমন্ত্ৰীয়ে জনসাধাৰণক #SomnathSwabhimanparv ব্যৱহাৰ কৰি নিজৰ স্মৃতি ভগাই ল'বলৈ আহ্বান জনাইছে। শ্ৰী মোদীয়ে পুনৰনিৰ্মিত সোমনাথ মন্দিৰৰ দ্বাৰ মুকলিৰ ৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে ২০০১ চনৰ ৩১ অক্টোবৰত আয়োজিত কাৰ্যসূচীৰ বিষয়েও স্মৰণ কৰে। ১৯৫১ চনত সেই সময়ৰ ৰাষ্ট্ৰপতি ড° ৰাজেন্দ্ৰ প্ৰসাদৰ উপস্থিতিত নতুনকৈ নিৰ্মাণ কৰা সোমনাথ মন্দিৰৰ দ্বাৰ মুকলি কৰা হৈছিল। শ্ৰী মোদীয়ে কয়, যে চৰ্দাৰ বল্লভ ভাই পেটেল, কে এম মুন্সি আৰু আন কেইবাগৰাকীও ব্যক্তিয়ে মন্দিৰটোৰ পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই থৈ গৈছে। চলিত বৰ্ষত ১৯৫১ চনৰ কাৰ্যসূচীৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা বুলিও প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

প্ৰধানমন্ত্ৰী মোদীয়ে অহা ১১ জানুৱাৰীত সোমনাথ স্বাভিমান পৰ্বত ভাগ ল'ব। এই পৰ্বৰ অংশ হিচাপে বছৰজুৰি আধ্যাত্মিক, সাংস্কৃতিক আৰু সামাজিক অনুষ্ঠানৰ আয়োজন কৰা হ'ব। তিনিহাজাৰ ড্ৰোণৰ অংশগ্ৰহণেৰে প্ৰদৰ্শন কৰিবলগীয়া ৭২ ঘণ্টাজোৰা বিশাল ওমকাৰ নাট আৰু শৌৰ্যযাত্ৰা এই পৰ্বৰ মূল আকৰ্ষণৰূপে পৰিগণিত হ'ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বেদান্ত গোটৰ অধ্যক্ষ অনিল আগৰৱালৰ পুত্ৰ অগ্নিৱেশ আগৰৱালৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে অগ্নিৱেশৰ পৰিয়ালক শক্তি আৰু সাহস প্ৰদান কৰিবলৈ নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা জনাইছে।

০০০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে ভাৰত আৰু ফ্ৰান্সে গোলকীয় ৰাজনীতিত স্থিৰতা অনাৰ বাবে একেলগে কাম কৰা উচিত বুলি মন্তব্য কৰিছে। পেৰিছত কালি ফ্ৰান্সৰ বিদেশ মন্ত্ৰী জীন ন'ৱেল বেৰ'টৰ সৈতে হোৱা এখন বৈঠকত ড০ জয়শংকৰে কয় যে ফ্ৰান্স হৈছে ভাৰতৰ অতি পুৰণি কৌশলগত অংশীদাৰসমূহৰ ভিতৰত অন্যতম আৰু দুয়োখন দেশে সাম্প্ৰতিক ভূৰাজনৈতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি গোলকীয় ৰাজনীতিত স্থিৰতা অনাৰ বাবে সহযোগিতাৰে কাম কৰাটো অতি প্ৰয়োজন। তেওঁ কয় যে দেশ দুখনৰ মাজৰ সম্পৰ্ক সুদৃহ কৰাৰ বাবে ধাৰাবাহিক আলোচনা অব্যাহত ৰখাটো অতি গুৰুত্বপূৰ্ণ। তেওঁ লগতে উল্লেখ কৰে যে ভাৰতে ব্ৰিক্‌চ ৰাষ্ট্ৰ গোষ্ঠীৰ সন্মিলনত অধ্যক্ষতা কৰিছে আৰু ফ্ৰান্সে এই বছৰ G7 সন্মিলনত অধ্যক্ষতা কৰিছে আৰু দুয়োখন দেশে হৈছে G20 ৰাষ্ট্ৰ গোষ্ঠীৰ অংশ। বৈঠকত দুয়োগৰাকী মন্ত্ৰীয়ে অহা মাহত কৃত্তিম বুদ্ধিমত্তা সন্মিলনত অংশগ্ৰহণৰ বাবে ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ৰ ভাৰত ভ্ৰমণৰ প্ৰস্তুতি সন্দৰ্ভতো আলোচনা কৰে।

০০০০০০০০

গুৱাহাটীত আজিৰে পৰা দুদিনীয়াকৈ ৰাষ্ট্ৰীয় বস্ত্ৰ সন্মিলনৰ অনুষ্ঠিত হৈছে। এই সন্মিলনখনৰ বিষয়বস্তু হৈছে- **ভাৰতৰ বস্ত্ৰ ঃ বয়ন বিকাশ, ঐতিহ্য আৰু উদ্ভাৱন।** এই সন্মিলনত দেশৰ বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ বস্ত্ৰ মন্ত্ৰী আৰু জ্যেষ্ঠ বিষয়াসকলে অংশগ্ৰহণ কৰিছে। এই সন্মিলনৰ লক্ষ্য হৈছে বস্ত্ৰখণ্ডত নতুন নীতি, বিনিয়োগ, বহনক্ষমতা, ৰপ্তানী, আন্তঃগাঁথনিৰ বিকাশ আৰু বস্ত্ৰ উদ্যোগৰ ক্ষেত্ৰত প্ৰযুক্তিগত উন্নয়নৰ দিশসমূহৰ সন্দৰ্ভত আলোচনা কৰাৰ বাবে এখন মঞ্চ প্ৰদান কৰা। কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰ্যালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে ২০৩০ চনৰ ভিতৰত ভাৰতে বস্ত্ৰ উদ্যোগৰ ক্ষেত্ৰত গোলকীয়ভাৱে সুকীয়া পৰিচয় গঢ়ি তোলাৰ উদ্দেশ্য আগত ৰাখি কাম কৰিবলৈ বিচাৰিছে। সন্মিলনৰ উদ্বোধনী অধিৱেশনত কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিং, কেন্দ্ৰীয় বস্ত্ৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ লগতে অন্যান্য বিশিষ্টসকলে অংশগ্ৰহণ কৰে। সন্মিলনত ভাগ লৈ বস্ত্ৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই কয়, যে বস্ত্ৰ মূল্য শৃংখলাৰ কোনো সীমা নাথাকে আৰু উমৈহতীয়া আন্তঃগাঁথনি, সূচল পৰিবহণ আৰু দক্ষতা বিকাশৰ সমন্বিত প্ৰচেষ্টাৰ ওপৰতে ইয়াৰ সফলতা নিৰ্ভৰ কৰে।

বাইট

সন্মিলনৰ সৈতে সংগতি ৰাখি দেশৰ বস্ত্ৰ শক্তি, উদ্ভাৱন আৰু সমৃদ্ধ ঐতিহ্যক চিহ্নিত কৰা এখন প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছে।

০০০০০০০০

বধি বলবৎকাৰী সঞ্চালকালয়ে এটা অপৰাধী চক্রৰ বিৰুদ্ধে ভুৱা চৰকাৰী চাকৰি কেলেংকাৰী সন্দৰ্ভত সমগ্ৰ দেশতে অভিযান চলাইছে। সংস্থাটোৱে প্ৰকাশ কৰা মতে প্ৰাৰম্ভিক অৱস্থাত এই কেলেংকাৰী ভাৰতীয় ৰেলৱে'ৰ নামত হোৱা বুলি ধাৰণা কৰা হৈছিল। পাছত তদন্তৰ অন্তত বন, ৰেলৱে নিযুক্তি বৰ্ড, ইণ্ডিয়া পোষ্ট, আয় কৰ, উচ্চ ন্যায়ালয়ৰ লোক নিৰ্মাণ বিভাগৰ লগতে বিহাৰ চৰকাৰ, ৰাজস্থান সচিব আৰু অন্যান্য বিভাগকে ধৰি ৪০টা চৰকাৰী সংস্থা আৰু বিভাগত কেলেংকাৰী হোৱাৰ তথ্য পোহৰলৈ আহে। বিধি বলবৎকাৰী সঞ্চালকালয়ে সম্প্ৰতি ৬ খন ৰাজ্যৰ ১৩ খন চহৰৰ ১৫ টা স্থানত অভিযান চলাই আছে। সঞ্চালকালয়ে জনোৱা মতে অপৰাধী চক্ৰটোৱে ভুৱা ই-মেইল একাউণ্ট ব্যৱহাৰ কৰিছিল আৰু জনসাধাৰণৰ বিশ্বাস লাভৰ বাবে প্ৰথম অৱস্থাত কিছু ভুক্তভোগীক ২-৩ মাহৰ দৰমহাও আদায় দিছিল।

oooooooo

বিকশিত ভাৰত যুৱ নেতা আলোচনা, ২০২৬ কাইলৈ নতুন দিল্লীত অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড° মনসুখ মন্দাভিয়াই সামাজিক মাধ্যমযোগে কয়, যে এই আলোচনাই যুৱকসকলক সন্মুখৰ পৰা নেতৃত্ব দিবলৈ, প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ আৰু দেশৰ ভৱিষ্যত নিৰ্মাণৰ ৰূপৰেখা প্ৰস্তুত কৰিব পৰাকৈ সবল কৰি তুলিব। তেওঁ কয়, যে এই চাৰিদিনীয়া অনুষ্ঠানত সমগ্ৰ দেশৰ যুৱ নেতাসকলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে বিকশিত ভাৰত দৃষ্টিভংগী সন্দৰ্ভত নিজৰ মতামত প্ৰকাশ কৰিব। ভাৰতত বিশ্বৰ ভিতৰত সবাতোকৈ অধিক যুৱক-যুৱতী আছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে অকল নীতি বা প্ৰতিষ্ঠানৰ জৰিয়তে নহয়, বৰং যুৱ প্ৰজন্মৰ কল্পনা, দৃঢ়তা আৰু সাহসৰ মাধ্যমেৰেহে দেশৰ ভৱিষ্যত গঢ় লৈ উঠে। তেওঁ কয়, যে ৰাজনৈতিক পৃষ্ঠভূমি নথকা ১ লাখ যুৱক-যুৱতীক ৰাজহুৱা জীৱনলৈ অনাৰ বাবে প্ৰধানমন্ত্ৰী মোদীয়ে লালকিল্লাৰ প্ৰাচীৰৰ পৰা জনোৱা আহ্বান অনুসৰি যোৱা বছৰ জানুৱাৰীত বিকশিত ভাৰত যুৱ নেতা আলোচনা আৰম্ভ কৰা হৈছিল।

ooooooooo

———প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী, প্ৰয়াত ৰাজনীতিবিদ তথা বিজেপিৰ এগৰাকী জ্যেষ্ঠ নেতা কবিন্দ্ৰ পুৰকায়স্থৰ শেষকৃত্য আজি শিলচৰৰ শ্মশানঘাটত সম্পন্ন হ'ব। শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ পৰা তেওঁৰ নশ্বৰ দেহ কাছাৰ জিলা বিজেপিৰ কাৰ্যালয়লৈ নিয়া হৈছে। ইয়াৰ পাছত তেওঁৰ নশ্বৰ দেহ জিলা ক্ৰীড়া সন্থাৰ খেল পথাৰলৈ লৈ যোৱা হয়। সম্প্ৰতি তেওঁৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হৈছে। কিছু সময়ৰ পাছতে সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হ'ব।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ কালি শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ৯৫ বছৰ বয়সত দেহাৱসান ঘটে।

প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ মৃত্যুত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ শোক প্ৰকাশ কৰিছে। শ্ৰীমতী মুৰ্মুৱে এটা বাৰ্তাত পুৰকায়স্থই প্ৰাক্তন মন্ত্ৰী আৰু লোকসভাৰ সদস্য হিচাপে নিষ্ঠাৰে আগবঢ়োৱা সেৱাৰ কথা উল্লেখ কৰাৰ লগতে অসমৰ উন্নয়নৰ ক্ষেত্ৰত গ্ৰহণ কৰা প্ৰচেষ্টাৰ কথা স্মৰণ কৰে। এটা শোকবাৰ্তাত শ্ৰী মোদীয়ে সমাজ সেৱাৰ প্ৰতি পুৰকায়স্থৰ দায়বদ্ধতা আৰু অসমৰ প্ৰগতিৰ ক্ষেত্ৰত অৱদান সদায় স্মৰণীয় হৈ থাকিব বুলি উল্লেখ কৰে।

ভাৰতীয় জনতা পাৰ্টিৰ অন্যতম প্ৰতিষ্ঠাপকগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই ৰাজ্যিক বিজেপিয়ে আজি সকলো দলীয় কাৰ্যসূচী বাতিল কৰাৰ লগতে দলটোৰ সকলো কাৰ্যালয়ত দলীয় পতাকা অৰ্ধনমিত কৰি ৰখা হৈছে।

০০০০০০০০

সেনা জোৱানসকলক বেংকৰ সেৱা আৰু ব্যক্তিগত দুৰ্ঘটনা বীমাৰ সুবিধা প্ৰদানৰ অৰ্থে সেনা আৰু এইচ ডি এফ চি বেংকে তেওঁলোকৰ বুজাবুজিৰ চুক্তি ৩ বছৰলৈ অৰ্থাৎ ২০২৯ চনলৈ বৃদ্ধি কৰিছে। এই অনুদান সেনা বাহিনীত কৰ্মৰত জোৱান অথবা অবসৰ প্ৰাপ্ত কৰ্মচাৰীৰ দুৰ্ঘটনাজনিত মৃত্যু বা বিশেষভাৱে সক্ষম হ'লে আগবঢ়োৱা হয়। এই বুজাবুজিৰ চুক্তিয়ে অগ্নিবীৰ আৰু পেঞ্চনাৰসকলকে ধৰি কৰ্মৰত সকলো জোৱানক ১ কোটি টকাৰ ব্যক্তিগত দুৰ্ঘটনা বীমা আৰু ১ কোটি টকাৰ বিমান দুৰ্ঘটনাৰ বীমাৰ সুবিধা প্ৰদান কৰিব।

০০০০০০০০০

ভাৰতৰ পি ভি সিন্ধুৱে কোৱালালামপুৰত অনুষ্ঠিত মালেয়ছিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ চিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। সিন্ধুৱে আজি জাপানৰ টমোকো মিয়াজাকিক কেৱল ৩২ মিনিটতে ২১-৮, ২১-১৩ ছেটত পৰাস্ত কৰে। মালেয়ছিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত সিন্ধু চতুৰ্থ বাৰৰ বাবে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। কাইলৈ কোৱাৰ্টাৰ ফাইনেলত তেওঁ জাপানৰ আকানে য়ামাগুচি অথবা গাউ ফেং জিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাত আজি ভাৰতৰ আয়ুচ শেট্টী পুৰুষৰ ছিংগলচৰ দ্বিতীয় ৰাউণ্ডত বিশ্বৰ ১ নম্বৰ স্থানৰ খেলুৱৈ চীনৰ শ্বি য়ুকিৰ হাতত পৰাস্ত হয়।

০০০০০০০০০

সমাপ্ত